# বিদায়

ভনীজনী গুচি যোৱাৰ পাছৰে পৰা
অসম্ভৱ এটা শূন্যতা

তাই গান ভাল পাইছিল বাবে
কোঠালী এটা সাজি দিছিলোঁ

এতিয়া কোঠালীত এৰি থৈ যোৱা গানৰ স্বৰবোৰ
উঁদুলি-মুদুলিকৈ কিননি তুলি
মাজে মাজে আমাক আঘাত কৰিব

তাই যিটো ল'ৰাৰ লগত
চিৰদিনৰ বাবে গুচি গৈছে— কথাটো বৰ সহজ নহয়
যদিও এইটো এটা পৰম্পৰা

তাই শিমলু ফুল ভাল পাইছিল বাবে
নৈষনক মিছা কথা কোৱা নাছিল

আৰু যিদিনাই নাৱত উঠি ভটিয়নিৰ ফালে
গুচি গৈছিল
সেইদিনাৰ পৰা আৰম্ভ হৈছিল তাইৰ দুখ

১৯৯৯